# THE GAUHATI HIGH COURT AT GUWAHATI

(THE HIGH COURT OF ASSAM, NAGALAND, MIZORAM AND ARUNACHAL PRADESH)

**Main Written Examination for Direct Recruitment to Grade-III of Assam Judicial Service, 2021.**

Total Marks: 50 Marks
Date : 30-05-2022 (Monday)

Duration: 2 Hours
Time : 9 A.M. to 11 P.M

---

## PAPER-V

**১. তলৰ শব্দকেইটিৰ অৰ্থ লিখক:** **(১/২ x ৬ = ৩)**

ক) শস্যক্ষেত্ৰ খ) শ্ৰেষ্ঠ গ) অতিথি ঘ) নৰিয়া ঙ) উলাহ
চ) নিদৰ্শন

**২. তলৰ শব্দকেইটিৰ বিপৰীত লিংগ বুজোৱা শব্দ লিখক:** **(১/২ x ৬ = ৩)**

ক) যুৱক খ) ৰজা গ) ল'ৰা ঘ) পুৰুষ ঙ) সি
চ) শিক্ষক

**৩. এটা শব্দত প্ৰকাশ কৰক:** **(১/২ x ৬ = ৩)**

ক) মাকৰ ভনীয়েক খ) যি নিজৰ দেশক ভাল পায়
গ) বস্ত্ৰ-বস্তু বেচা-কিনা কৰা ঠাই ঘ) কঁঠালৰ কলি
ঙ) যাৰ অন্ত নাই চ) পৰৰ অধীন

**৪. তলৰ বাক্যবোৰ শুদ্ধকৈ লিখক:** **(১x ৫ = ৫)**

ক) মাই ভাত বনাই আছে ।
খ) ৰাইজসকল, মোক ক্ষমা কৰক ।
গ) আমিবোৰ ভাৰতীয় নাগৰিক ।
ঘ) নদীৰ পাৰত মলয়া বতাহ আহিছে ।
ঙ) মানুহজনে ঘৰটো বনাইছে ।

**৫. তলত উল্লেখ কৰা বিশিষ্ট ব্যক্তি কেইজনৰ ভিতৰত যিকোনো এজনৰ বিষয়ে ৫০টা শব্দত চমুটোকা লিখক ।** **(৩)**

ক) সীতানাথ ব্ৰহ্মচৌধুৰী খ) ৰংবং তেৰাং গ) য়েছে দৰজে ঠংচি

**৬. তলৰ যিকোনো এটাৰ ভাৱ সম্প্ৰসাৰণ কৰক (৫০টা শব্দৰ ভিতৰত) :** **(৩)**

ক) উপকাৰীক অজগৰে খায় । খ) একতাই পৰম বল ।

**৭. তলৰ দফাটো ভালদৰে পঢ়ি তলৰ প্ৰশ্ন কেইটিৰ উত্তৰ দিয়া।**

বুদ্ধদেৱৰ পিতৃ প্ৰদত্ত নাম আছিল সিদ্ধাৰ্থ । খ্ৰীষ্ট পূৰ্ব প্ৰায় ৫৬৭ ত নেপালৰ কপিলাবস্তুৰ ওচৰত লুম্বিনীত তেখেতৰ জন্ম । মাহীমাক গৌতমীৰ দ্বাৰা লালিত পালিত হোৱা বাবে গৌতম ৰূপে পৰিচিত হয় । ল'ৰা কালৰে পৰা গৌতম অতি চিন্তাশীল আছিল । কালক্ৰমত যশোধৰা নামৰ এগৰাকী ৰাজকুমাৰীৰ সৈতে তেখেতৰ বিবাহ আৰু এটা পুত্ৰ সন্তান জন্ম হয় । সংসাৰত মানুহবোৰৰ দুখ-কষ্ট দেখি সেই বোৰৰ পৰা পৰিত্ৰাণ পোৱাৰ উদ্দেশ্যে ৰাজ বৈভৱ পৰিত্যাগ কৰে আৰু ৰাজ কাৰেঙৰ পৰা ওলাই যায় । অৱশেষত গয়াত এজোপা বৰগছৰ তলত তপস্যাৰ অন্তত দিব্যজ্ঞান লাভ কৰে । তেতিয়াৰ পৰা তেওঁ বুদ্ধ ৰূপে পৰিচিত হয় । বুদ্ধৰ অৰ্থ জ্ঞানী ।

ক) বুদ্ধদেৱৰ আন দুটা নাম কি ? (১)

খ) লুম্বিনী ক'ত ? (১)

গ) গৌতমৰ পত্নীৰ নাম কি ? (১)

ঘ) গৌতমে ক'ত দিব্যজ্ঞান লাভ কৰে ? (১)

ঙ) গৌতমে কিয় ৰাজ বৈভৱ পৰিত্যাগ কৰিছিল ? (১)

**৮. আদালত আৰু কাৰ্য্যালয়ত উপস্থিত থাকিব নোৱাৰা বাবে জিলা আৰু সত্ৰ ন্যায়াধীশলৈ এখন নৈমিত্তিক ছুটিৰ আবেদন লিখক।** (৫)

**৯. অৰ্থ লিখি বাক্য ৰচনা কৰক:** ($১^১/২$ x 8 = ৬)

ক) ডলাৰ বগৰী খ) ধোদৰ পচলা গ) অথাই সাগৰ ঘ) মাটিৰ মানুহ

**১০. কবি চন্দ্ৰকুমাৰ আগৰৱালা দেৱে লিখা "মানৱ বন্দনা" নামৰ কবিতাটিৰ তলত দিয়া পংক্তিটোৰ প্ৰসংগ সংগতি লগাই ব্যাখ্যা কৰক ।** (২ + 8 = ৬)

মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ,
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই
জয় জয় জয় মানৱ দেৱ ।

**১১. তলত দিয়া যিকোনো এটা বিষয়ৰ ওপৰত ৩০০টা শব্দৰ ভিতৰত এখন ৰচনা লিখক !** (৮)

ক) শক্তিশালী ন্যায় ব্যৱস্থা শক্তিশালী গণতন্ত্ৰৰ ভেটি ।

খ) নিয়মানুৱৰ্তিতা ।

XXXXXXXXXXXXXXXXXXXXXXXXXXXXXXXXXXXX